2022

ASSAMESE

Paper : ASM-HC-6026

(অসমীয়া লিপিৰ ইতিহাস)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কেনে ধৰণৰ লিপিক লেখন-কলাৰ প্ৰথম স্তৰ বুলি কোৱা হয় ?

(খ) কি ধৰণৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয় ?

(গ) উমাচল লিপিৰ সময় কি ?

(ঘ) কায়থেলী লিপি কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) *The Evolution of Assamese Script* নামৰ গ্ৰন্থৰ লেখক কোন ?

(চ) 'প্রাচ্য শাসনাবলী' নামৰ গ্ৰন্থৰ প্ৰণেতাগৰাকীৰ নাম লিখা।

(ছ) কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ ঘটা বুলি কোৱা এজন পণ্ডিতৰ নাম লিখা।

(জ) বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম লিখা।

(ঝ) প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল?

(ঞ) সম্পূৰ্ণ অসমীয়া আখৰত লিখিত বৰ্তমানলৈ উদ্ধাৰ হোৱা প্ৰাচীনতম লিপিখনৰ নাম কি?

(ট) ড০ বিৰিঞ্চিকুমাৰ বৰুৱাই ডবকাৰ ওচৰৰ এখন ঠাইৰ পৰা উদ্ধাৰ কৰা লিপিখনক কি নামেৰে জনা যায়?

(ঠ) তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

(ড) সাঁচিপাত গছৰ কোনটো অংশৰ পৰা প্ৰস্তুত কৰা হয়?

(ঢ) আহোম ৰজাসকলে পুথি লিখিবলৈ সৃষ্টি কৰা খেলটোৰ নাম কি?

(ণ) কোনজন পণ্ডিতে প্ৰাক্-গুপ্ত যুগত অসমত প্ৰবেশ কৰা ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ হোৱা বুলি প্ৰথমে মত দিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা গৈছিল?

(খ) 'ৰ' আৰু 'ৱ' আখৰৰ স্পষ্ট পাৰ্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাখিনি কি ভাষাত লিখা?

(গ) হৰ্ষৱৰ্মাৰ হ্যুংথল তম্ৰশাসন ক'ৰ পৰা আৱিষ্কাৰ হৈছিল? এই তাম্ৰশাসনৰ পাঠ কোনে উদ্ধাৰ কৰিছিল?

(ঘ) অসমৰ বুৰঞ্জী পুথিবোৰত সাধাৰণতে পোৱা লিপি কি শৈলীৰ আছিল? এই শৈলীটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'জাউ বা ঝাও দিয়া' মানে কি?

(চ) 'কুট দিয়া'ৰ অৰ্থ লিখা।

(ছ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ দুবিধ প্ৰাচীন লিপিৰ নাম লিখা।

(জ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভগোৱা হয়?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ চমু পৰিচয় দিয়া।

(খ) কুটিল লিপিৰ বিষয়ে এটা টোকা লিখা।

(গ) বামুণীয়া বা কায়থেলী লিপিৰ বিষয়ে চমুকৈ লিখা।

(ঘ) কানাই ৰৰশীবোৱা শিলালিপিৰ চমু পৰিচয় দিয়া।

(ঙ) উমাচল শিলালিপিৰ পৰিচয় দিয়া।

(চ) টোকা লিখা :

বনমালবৰ্মাৰ তেজপুৰ আৰু পৰতীয়া তাম্ৰশাসন

(ছ) পূর্ব ভাৰতীয় লিপিমালাৰ বিষয়ে লিখা।

(জ) সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সম্পৰ্ক বিচাৰ কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

(খ) ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ আলোচনা কৰা।

(গ) অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰৰ চমু পৰিচয় দাঙি ধৰা।

(ঘ) প্ৰাচীন কামৰূপী লিপিৰ বিষয়ে আলোচনা কৰা।

(ঙ) পুৰণি অসমীয়া লিপিৰ তিনি শৈলীৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই আলোচনা কৰা।

(চ) আধুনিক অসমীয়া লিপিৰ বিষয়ে লিখা।

(ছ) সাঁচিপাত আৰু তুলাপাত প্ৰস্তুতকৰণৰ বিষয়ে লিখা।

(জ) মহী বা চিঞাহী প্ৰস্তুতকৰণ প্ৰণালীৰ বিৱৰণ দাঙি ধৰা।

(ঝ) কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

(ঞ) অসমীয়া লিপিৰ বিকাশত নগাজৰী খনিকৰ গাঁও শিলালিপিৰ গুৰুত্ব বিচাৰ কৰা।

★★★

2022

ASSAMESE

Paper : ASM–RG–6016

(Chanda Aru Alankar)

(Regular Generic)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ছন্দৰ মূল কথা কি ?

(খ) অক্ষৰ বুলিলে কি বুজা ?

(গ) অনুস্বৰ বিসৰ্গযুক্ত অক্ষৰৰ উচ্চাৰণকাল কিমান মাত্ৰিক ?

(ঘ) ছন্দৰ তাল বুলি কাক কোৱা হয় ?

(ঙ) অসমীয়া পুৰণি সাহিত্যত কোনবিধ ছন্দক ৰজাছন্দ বুলি কোৱা হয় ?

(চ) বিহুনাম, আইনাম আদিত কোনবিধ ছন্দৰ প্ৰচলন সৰাতকৈ বেছি ?

(ছ) ঝুমুৰী ছন্দৰ প্ৰত্যেক চৰণত কেইটাকৈ আখৰ থাকে ?

(ছ) শংকৰদেৱৰ 'গুণমালা' কাব্যপুথিখন কি ছন্দত ৰচনা কৰা ?

(ৰ) বিখ্যাত আলংকাৰিক ৰাজাণক কয্যকে ৰচনা কৰা অলংকাৰ-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

(ঞ) "মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী।" ইয়াত কি অলংকাৰ প্ৰয়োগ হৈছে ?

(ট) অলংকাৰশাস্ত্ৰৰ প্ৰথম আচাৰ্য বুলি কাক কোৱা হয় ?

(ঠ) দুটা বা তাতকৈ বেছি অৰ্থ একেটা শব্দত লগলাগি থকা অলংকাৰবিধৰ নাম কি ?

(ড) সাধাৰণজনে নেদেখা অথচ কবিয়ে দেখা সত্য দৰ্শনটোক অলংকাৰশাস্ত্ৰত কি দৰ্শন বুলি কোৱা হয় ?

(ঢ) কোৱাকে কোৱাৰ নিচিনা যেন লগা অলংকাৰক কি অলংকাৰ বুলি কোৱা হয় ?

(ণ) কোনগৰাকী আলংকাৰিকে বক্ৰোক্তিক কাব্য-জীৱন বুলি কৈছে ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) মাত্ৰা বুলিলে কি বুজা ?

(খ) "ভৈলাহ্য পৰশুৰাম নামে অৱতাৰ।" পদছন্দ অনুসৰি কোন পদৰ পিছত অৰ্দ্ধযতি আৰু কোন পদৰ পিছত পূৰ্ণযতি ব্যৱহাৰ হ'ব ?

(গ) কাব্যত অলংকাৰৰ অপৰিহাৰ্যত্ব স্বীকাৰ কৰা দুগৰাকী আলংকাৰিকৰ নাম লিখা।

(ঘ) ছবি ছন্দ কেইটা চৰণত সম্পূৰ্ণ হয় ? ইয়াৰ কোন কোন চৰণ মিলিতান্ত কৰা হয় ?

(ঙ) ঝুনা, ঝুমুৰী আৰু কুসুমমালা ছন্দক কিয় সমছন্দ বুলি কোৱা হয় ?

(চ) 'যমক' অলংকাৰৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) 'বক্ৰোক্তি' অলংকাৰৰ সংজ্ঞা দিয়া।

(জ) 'পদুমৰ নিচিনা মুখ' আৰু 'তেওঁৰ মুখেই পদুম' কথা দুশাৰীত ক্ৰমে কি কি অলংকাৰ প্ৰয়োগ হৈছে ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লয়

(খ) ভ্ৰান্তিমান

(গ) ঝুমুৰী ছন্দ

(ঘ) কুসুমমালা ছন্দ

(ঙ) অলংকাৰ শব্দৰ ব্যুৎপত্তি

(চ) অনুপ্ৰাস অলংকাৰ

(ছ) ৰূপক অলংকাৰ

(জ) ব্যাজস্তুতি অলংকাৰ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) মুক্তক ছন্দ বুলিলে কি বুজা ? উদাহৰণসহ মুক্তক ছন্দৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) ত্রিপদী ছন্দৰীতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(গ) পদছন্দ বুলিলে কি বুজা? অসমীয়া প্রাচীন কবিতাত ইয়াৰ প্রয়োগ কিদৰে হৈছে, উদাহৰণসহ আলোচনা কৰা।

(ঘ) "শব্দৰ বিন্যাস প্রকাৰৰ ফলত ওপজা সৌন্দর্যই ছন্দ।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(ঙ) অলংকাৰ বুলিলে কি বুজা? কাব্যত অলংকাৰৰ স্থান সম্পর্কে কেইজনমান আলংকাৰিকৰ অভিমত বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

(চ) কাব্যত অলংকাৰে কি কি প্রয়োজন সাধন কৰে, আলোচনা কৰা।

(ছ) শব্দালংকাৰ কাক বোলে? দুবিধ শব্দালংকাৰৰ বিষয়ে আলোচনা কৰা।

(জ) উপমা অলংকাৰৰ বিষয়ে সকলো দিশ সামৰি এটি আলোচনা যুগুত কৰা।

(ঝ) 'শ্লেষ' আৰু 'পুনৰুক্তিবদাভাস' অলংকাৰ দুবিধৰ উদাহৰণসহ আলোচনা কৰা।

(ঞ) "অলংকাৰৰ মূল অত্যুক্তি আৰু বক্রোক্তি।" কথাষাৰৰ যথার্থতা বিচাৰ কৰা।

★★★

2022

ASSAMESE

Paper : ASM-RE-6016/6026

(Regular Elective)

Paper : ASM-RE-6016

(ছন্দ আৰু অলংকাৰ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) ছন্দৰ মূল কথা কি ?

(খ) 'অসমীয়া ছন্দৰ শিল্পতত্ত্ব' গ্ৰন্থখনৰ ৰচক কোন ?

(গ) মাত্ৰা কাক বোলে ?

(ঘ) শংকৰদেৱে কুসুমমালা ছন্দত ৰচনা কৰা কাব্যগ্ৰন্থখনৰ নাম কি ?

(ঙ) অসমীয়া পুৰণি সাহিত্যত ব্যৱহৃত আটাইতকৈ দীঘলীয়া ছন্দটোৰ নাম কি ?

(চ) বীৰৰস সৃষ্টি কৰিবলৈ বা যুদ্ধৰ বৰ্ণনা দিবলৈ প্ৰাচীন অসমীয়া কবিসকলে সাধাৰণতে কোনটো ছন্দ ব্যৱহাৰ কৰিছিল ?

(ছ) অমিত্ৰাক্ষৰ ছন্দত ৰচিত এখন অসমীয়া কাব্যৰ নাম লিখা।

(জ) 'নাট্যশাস্ত্ৰ'ৰ ৰচক কোন ?

(ঝ) অলংকাৰ শাস্ত্ৰৰ প্ৰথমগৰাকী আচাৰ্যৰ নাম লিখা।

(ঞ) কাব্যত অলংকাৰ প্ৰয়োগৰ মুখ্য প্ৰয়োজনীয়তা কি ?

(ট) "কাব্যগ্ৰাহ্যমলংকাৰাৎ। সৌন্দৰ্য্যমলংকাৰঃ"

কথাষাৰ কোনজন আলংকাৰিকে কৈছিল ?

(ঠ) 'শ্লেষ' শব্দৰ অৰ্থ কি ?

(ড) "ই কথা নহয় জানা কথা পুকষৰ"—ইয়াত কি অলংকাৰৰ প্ৰয়োগ হৈছে ?

(ঢ) 'সাদৃশ্যগৰ্ভ' শ্ৰেণীৰ অন্তৰ্গত এবিধ অলংকাৰৰ নাম লিখা।

(ণ) বক্ৰোক্তি কেইপ্ৰকাৰৰ ?

২। চমু উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) অক্ষৰ কাক বোলে ?

(খ) অলংকাৰৰ প্ৰধান ভাগ দুটা কি কি ?

(গ) অলংকাৰ প্ৰয়োগৰ গৌণ প্ৰয়োজন দুটা কি কি ?

(ঘ) প্ৰাচীন অসমীয়া সাহিত্যত আটাইতকৈ বেছি ব্যৱহৃত ছন্দবিধৰ নাম লিখা। ইয়াৰ অক্ষৰসংখ্যা কিমান ?

(ঙ) অনুপ্ৰাস শব্দৰ অৰ্থ কি ?

(চ) অলংকাৰৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) সংস্কৃত ভাষাত ৰচিত দুখন অলংকাৰশাস্ত্ৰৰ নাম লিখা।

(জ) ব্যাজ আৰু স্তুতি—শব্দ দুটাৰ অৰ্থ লিখা।

৩। সংজ্ঞা লিখি উদাহৰণসহ বিশ্লেষণ কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দুলড়ী

(খ) ছবি

(গ) ঝুমুৰী

(ঘ) কুসুমমালা

(ঙ) যমক

(চ) বক্রোক্তি

(ছ) ভ্রান্তিমান

(জ) ব্যাজস্তুতি

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) কাব্যত ছন্দৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে আলোচনা কৰা।

(গ) প্ৰাচীন আৰু আধুনিক অসমীয়া কবিতাত পদ-ছন্দৰ প্ৰয়োগ কিদৰে হৈছে, কঁহিয়াই দেখুওৱা।

(ঘ) অনুপ্ৰাস ছন্দৰ সংজ্ঞা লিখি ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) কাব্যত অলংকাৰ প্ৰয়োগৰ মুখ্য প্ৰয়োজনীয়তা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(চ) "সকলো তুলনাই উপমা নহয়" উপমা অলংকাৰ হ'বলৈ হ'লে কি কি নিবন্ধনৰ প্ৰয়োজন, উদাহৰণসহ আলোচনা কৰা।

(ছ) উপমা অলংকাৰক কেইটা ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(জ) ৰূপক অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঝ) অসমীয়া কবিতাত মুক্তক ছন্দৰ প্ৰয়োগ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঞ) কাব্যত অলংকাৰৰ স্থান মুখ্য নে গৌণ—দুগৰাকীমান আলংকাৰিকৰ মতামতসহ আলোচনা কৰা।

Paper : ASM-RE-6026

(অভিযোজনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। যি কোনো দহটা প্রশ্নৰ উত্তৰ অতি চমুকৈ লিখা : ১×১০=১০

(ক) অনুবাদৰ এটা সৰল, সাধাৰণ সংজ্ঞা দাঙি ধৰা।

(খ) মাৰ্ক টোৱেইনৰ এখন উপন্যাসৰ নাম লিখা।

(গ) একে ঠাললৈ আৱৰ্ততে কৰা অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(ঘ) ভৱেন্দ্রনাথ শইকীয়াৰ 'অন্তৰীপ' নামৰ উপন্যাসখনৰ পৰা অভিযোজিত চলচ্চিত্রখনৰ নাম কি?

(ঙ) সম্পূর্ণ অনুবাদ সম্ভৱনে?

(চ) এটা ঠাললৈ পৰা আন এটা ঠাললৈ কৰা অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(ছ) অনুবাদ তত্ত্ব সম্পর্কে ৰচিত এখন অসমীয়া গ্রন্থৰ নাম লিখা।

(জ) 'Translation Studies' নামৰ কিতাপখনৰ লেখক কোন?

(ঝ) লক্ষ্মীনন্দন ৰৱাৰ 'গঙা চিলনীৰ পাখি' উপন্যাসখন কোনখন ঠাইৰ পটভূমিত ৰচিত?

(ঞ) বাল্মীকিৰ ৰামায়ণখন প্রথমে কোনে অসমীয়ালৈ অনুবাদ কৰে?

(ট) কোনজন জার্মান সমালোচক, অনুবাদকৰ মতে—'মানৱ মনে অনৱৰতে অনুবাদেই কৰি থাকে'?

(ঠ) 'তেজীমলাৰ সাধু'ৰ এটি অভিযোজিত ৰূপৰ নাম লিখা।

(ড) ৰামায়ণৰ সীতাৰ কাহিনীৰ কেইবাটাও অভিযোজন অসমীয়াত হৈছে। তাৰে যি কোনো এটিৰ নাম লিখা।

(ঢ) অভিযোজন প্রক্রিয়াত লেখকৰ ওপৰত সমকালীন সমাজ-মানসিকতাই প্রভাৱ পেলায়নে?

(ণ) এজন অনুবাদকৰ মাজত থাকিবলগীয়া এটি গুণৰ নাম লিখা।

২। তলৰ যি কোনো পাঁচটা প্রশ্নৰ উত্তৰ চমুকৈ লিখা : ২×৫=১০

(ক) অনুবাদ আৰু অভিযোজনাৰ দুটা পার্থক্য লিখা।

(খ) অনুবাদৰ প্রধান ভাগ কেইটা আৰু কি কি?

(Turn Over)

(গ) অনুবাদ আৰু অনুসৃষ্টিৰ মাজৰ দুটা সাদৃশ্য লিখা।

(ঘ) একে ঠাললৰ ভিতৰতে হোৱা অভিযোজনাৰ দুটা সুবিধা কি কি?

(ঙ) একে ঠাললৰ মাজত হোৱা অভিযোজনাৰ দুটা অসুবিধা কি কি?

(চ) পৃথক ঠাললৰ মাজত হোৱা অভিযোজনাৰ দুটা সুবিধা কি কি?

(ছ) অনুবাদ অধ্যয়নৰ দুটা লক্ষ্য কি কি?

(জ) পৃথক ঠাললৰ মাজত হোৱা অভিযোজনাৰ অসুবিধা দুটা লিখা।

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অনুবাদ বিজ্ঞান নে কলা—যুক্তি দিয়া।

(খ) অনুবাদৰ এটা প্ৰকাৰৰূপে অভিযোজনাৰ বিষয়ে লিখা।

(গ) অনুবাদৰ স্বৰূপ আৰু ধৰণ সম্পৰ্কে থকা দুটা মতবাদ লিখা।

(ঘ) অনুবাদৰ উৎস ভাষা আৰু লক্ষ্য ভাষা বুলিলে কি বুজা?

(ঙ) অভিযোজনা কেতিয়াবা মূলতকৈও অধিক জনপ্ৰিয় হ'ব পাৰে। এই যুক্তিৰ সমৰ্থনত এটি টোকা লিখা।

(চ) 'হাকলবেৰী ফিন'ৰ এটি ৰোমাঞ্চকৰ ঘটনাৰ বিষয়ে লিখা।

(ছ) 'গঙা চিলনীৰ পাখি'ত প্ৰকৃতিৰ যি মনোমোহা চিত্ৰ আছে তাৰ এটি আভাস দিয়া।

(জ) অনুবাদৰ গুৰুত্ব সম্পৰ্কে এটি চমু টোকা লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) *(i)* Taken in my hand
it will vanish in hot tears
autumn frost

(ii) হাতত ল'লেই
উমাল চকুলোত মিলি হেৰাই যাব
শৰতৰ হিম

(i) আৰু *(ii)* দুয়োটা অংশৰ ভাৱ-প্ৰকাশ দক্ষতাৰ এটি তুলনা কৰা।

(খ) বেলি প্ৰায় পাততে বহিছে। আকাশ সুন্দৰ নিৰ্মল। এই বাক্য দুটাৰ অনুবাদৰূপে—The Sun was below the zenith; the sky beautifully pristine—এই বাক্যটো কিমান যথাৰ্থ হৈছে, আলোচনা কৰা। আলোচনাত অনুবাদৰ সমস্যা সম্পৰ্কেও অৱগত কৰিব লাগিব।

(গ) 'হাকলবেৰী ফিন'ৰ অভিযোজনাত বৰ্ণিতা ফুকনে মূল গ্ৰন্থখনৰ সাংস্কৃতিক পটভূমি ৰক্ষা কৰিব পাৰিছেনে—মূল পাঠ আৰু অভিযোজিত পাঠৰ তুলনাৰে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) *(i)* টোপনিতো তেওঁ মোক খেদি ফুবিছিল
তেওঁবাক এতিয়া ক'ত আছে
আছেনে বাক তেওঁৰ মুখত
সেই উভালি পৰা এজোপা গছ
ওঠ দুখনত আছে নে বৈ
পানী বঙা হোৱা দুখন নৈ

(নীলমণি ফুকন)

(ii) She's been pursuing me even in
my sleep
well, where could she be now
Could that uprooted tree be there
upon her face
Could those two black be there
In her eyes

(Krishna Dulal Baruah)

ওপৰৰ অসমীয়া কবিতাংশৰ ইংৰাজী অনুবাদ সঠিক হোৱা বুলি তুমি ভাবানে? আলোচনা কৰা।

(ঙ) 'বুঢ়ী আইৰ সাধু'ত থকা বি কোনো এটি সাধুৰ কাব্যিক অথবা নাটকীয় অভিযোজনা প্ৰস্তুত কৰা।

(চ) 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰখনৰ সংলাপসমূহে একে নামৰ উপন্যাসখনৰ বৃহৎ কাহিনীভাগ প্ৰকাশ কৰাত সফলতা অৰ্জন কৰিছেনে—যুক্তি আৰু উদাহৰণৰ সৈতে আলোচনা কৰা।

(ছ) সৃষ্টিশীল গদ্যৰ অভিযোজনাৰ সুবিধা-অসুবিধাসমূহৰ বিষয়ে লিখি এটি প্ৰবন্ধ যুগুত কৰা। প্ৰবন্ধটিত ৰজনীকান্ত ৰৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসৰ ইংৰাজী অভিযোজনাৰ অথবা আন যি কোনো সৃষ্টিশীল গদ্যৰ অভিযোজনাৰ পৰা উদাহৰণ দিবা।

(জ) *(i)* যেতিয়া দেখোঁ যে ওৰে দিনটো কাম কৰি খাটিবুটি আহিছোঁ, অথচ লগুৱাই ধঁপাত এচিলিমকে সজাই দিয়া নাই, ঘৰৰ ঘৈণীয়ে কি কাৰণত ক'ৰ নোৱাৰোঁ, মুখখন ওন্দোলাই ওফোন্দাই বহি আছে...

(ii) When at the end of the day I come back home weary and find that my servant has not prepared my pipe of tobacco and my wife, for reasons not known, sits there with her checks all puffed up...

(i) আৰু *(ii)* অংশৰ তুলনা কৰি জড়ুৱা ঠাঁচৰ আৰু কথ্য ভাষাৰ অনুবাদৰ জটিলতা সম্পৰ্কে আলোচনা কৰা।

(ঝ) এটা ভাষাৰ পৰা আন এটা ভাষালৈ কৰা অভিযোজনাত বিষয়বস্তুয়ে কেনেদৰে থলুৱা চিত্ৰ গ্ৰহণ কৰে, উদাহৰণসহ আলোচনা কৰা।

(ঞ) অনুবাদ আৰু অভিযোজনাৰ প্ৰাসংগিকতা সম্পৰ্কে এটি প্ৰবন্ধ লিখা।

* * *

2022

ASSAMESE

Paper : ASM–HE–6046

(Asomiya Bhasha-Upabhasha)

(Honours Elective)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) Dialect শব্দটো কোনটো ভাষাৰ পৰা আহিছে ?

(খ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক কেইটা ভাগত ভাগ কৰিছে ?

(গ) *A Study on Kamrupi : A Dialect of Assamese* পুথিখনৰ লেখক কোন ?

(ঘ) "ভাষা আৰু উপভাষা শব্দ দুটা পৰ্বত আৰু পাহাৰৰ দৰে।" কথাষাৰ কোনে কৈছিল ?

(ঙ) কোনটো অসমীয়া উপভাষাক 'দেশী ভাষা' বুলি কোৱা হয় ?

(চ) কামৰূপী উপভাষাত 'শ্বাসাঘাত' শব্দৰ কোনটো স্থানত পৰে ?

(ছ) অসমীয়া কোনটো উপভাষাত পশ্চতালব্য ঘৃষ্ট স/ষ ধ্বনিৰ প্ৰয়োগ সমূলি নাই ?

(জ) অসমৰ কোনটো জনজাতিৰ ভাষাক সাদৰি বুলি কোৱা হয় ?

(ঝ) 'ৰামনৱমী' নাটকখন কোন চনত প্ৰকাশ হৈছিল ?

(ঞ) শীলভদ্ৰৰ প্ৰকৃত নাম কি ?

(ট) কোনখন গল্পপুথিৰ বাবে সৌৰভ কুমাৰ চলিহাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(ঠ) 'সহযাত্ৰী' গল্পটোত কোনটো অঞ্চলৰ উপভাষা প্ৰতিফলিত হৈছে ?

(ড) সুৰেন্দ্ৰনাথ মেধি—কোনগৰাকী বিখ্যাত অসমীয়া গল্পকাৰৰ প্ৰকৃত নাম ?

(ঢ) "কিনো হ্যচি ?" 'ৰামনৱমী' নাটকত থকা এই সংলাপটোৰ মান্য অসমীয়া ৰূপ কি ?

(ণ) 'অশান্ত ইলেকট্ৰন' কাৰ ৰচনা ?

২। যি কোনো পাঁচটাৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) অসমৰ কোন অঞ্চলৰ উপভাষাক মধ্য অসমৰ উপভাষা বোলা হয় ?

(খ) গোৱালপৰীয়া উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ নাম লিখা।

(গ) কামৰূপী উপভাষাৰ সৰ্বনামৰ বহুবচন বুজোৱা যি কোনো দুটা ৰূপ লিখা।

(ঘ) গোৱালপৰীয়া উপভাষাৰ যি কোনো দুটা স্ত্ৰীলিংগবাচক শব্দ লিখা।

(ঙ) কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কেইটা ?

(চ) শীলভদ্ৰৰ দুখন গল্পপুথিৰ নাম লিখা।

(ছ) যি কোনো দুটা সামাজিক উপভাষাৰ নাম লিখা।

(জ) নৃগোষ্ঠীয় উপভাষাৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) সামাজিক উপভাষা বুলিলে কি বুজা ? উদাহৰণসহ আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ উজনি অঞ্চলৰ উপভাষাৰ বিষয়ে আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয় দিয়া।

(ঘ) আঞ্চলিক উপভাষা বুলিলে কি বুজা, উদাহৰণসহ আলোচনা কৰা।

(ঙ) মান্য ভাষা এটাই উপভাষাৰ ৰূপ লব পাৰে নেকি ? যদি পাৰে তেন্তে উদাহৰণসহ আলোচনা কৰা।

(চ) উপভাষাৰ প্ৰয়োগে সৃজনীশীল সাহিত্যিক কেনেধৰণৰ মৰ্যাদা প্ৰদান কৰে, আলোচনা কৰা।

(ছ) 'সহযাত্ৰী' গল্পটোত প্ৰয়োগ হোৱা লোকভাষাটোৱে গল্পটোৰ কাহিনীভাগক কেনেদৰে জীৱন্ত কৰি তুলিছে, আলোচনা কৰা।

(জ) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতি সম্পৰ্কে এটি টোকা যুগুত কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উপভাষা সৃষ্টিৰ অন্তৰালত কেনেধৰণৰ কাৰক জড়িত হৈ আছে, আলোচনা কৰা।

(খ) উপভাষা অধ্যয়ন হোৱাটো কিয় প্ৰয়োজনীয়? অসমীয়া ভাষাৰ উপভাষাৰ আধাৰত আলোচনা কৰা।

(গ) গোৱালপৰীয়া উপভাষাক কোনবোৰ বৈশিষ্ট্যই এটা সুকীয়া উপভাষাৰূপে প্ৰতিপন্ন কৰিছে, আলোচনা কৰা।

(ঘ) উপভাষাৰ সংজ্ঞা উল্লেখ কৰি অসমীয়া উপভাষাৰ পৰিচয় দিয়া।

(ঙ) কামৰূপী উপভাষা আৰু মান্য অসমীয়া ভাষাৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ উদাহৰণসহ লিখা।

(চ) সামাজিক উপভাষা সৃষ্টিৰ কাৰণবোৰ কি কি, আলোচনা কৰা।

(ছ) মান্যভাষা বুলিলে কি বুজা? উপভাষা এটাই কেনে পৰিবেশত মান্যভাষাৰ ৰূপ লয়, আলোচনা কৰা।

(জ) 'ৰামনৱমী' নাটৰ পঞ্চম অংকৰ দ্বিতীয় দৰ্শনৰ ভাষা সম্পৰ্কে আলোচনা কৰা।

(ঝ) 'হাঁহিচম্পা' গল্পটোত কোন অঞ্চলৰ উপভাষাৰ প্ৰভাৱ পৰিছে? উপভাষাটোৰ বৈশিষ্ট্য সম্পৰ্কে গল্পটোৰ আধাৰত লিখা।

(ঞ) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপসমূহৰ বিষয়ে পৰিচয় দিয়া।

★★★

2023

ASSAMESE

(Honours Core)

Paper : ASM–HC–6016

(অসমীয়া চুটিগল্প আৰু উপন্যাস)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন ?

(খ) 'ময়না' গল্পসংকলনখনৰ গল্পকাৰজনৰ নাম কি ?

(গ) 'সুধর্মাৰ উপাখ্যান'ৰ ৰচয়িতা কোন ?

(ঘ) 'জীৱনৰ বাটত' উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম লিখা।

(ঙ) হেমেন ৰৱগোহাঞি ৰচিত এখন উপন্যাসৰ নাম লিখা।

(চ) "তই সাৱধানে থাকিবি। মই আহিলোঁ।" এই কথাষাৰ মালতীক কোনে কৈছিল ?

(ছ) লক্ষীধৰ শর্মাই 'নীনা' গল্পটোৰ কাহিনী কোনটো পুৰুষত বর্ণনা কৰিছে ?

(জ) 'ৰৰদেউতা' গল্পৰ এটা চৰিত্ৰ ৰাজেশ্বৰী। ৰাজেশ্বৰীৰ গিৰিয়েকৰ নাম কি ?

(ঝ) মামণি ৰয়ছম গোস্বামীয়ে বৃন্দাবনৰ পটভূমিত লিখা উপন্যাসখনৰ নাম কি ?

(ঞ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ প্ৰথম বাক্যটো কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত বিশেষ অৰিহণা যোগোৱা 'আৱাহন' কাকতত প্ৰকাশিত দুটা গল্পৰ নাম লিখা।

(খ) সৌৰভ চলিহাৰ দুখন গল্পসংকলনৰ নাম লিখা।

(গ) স্নেহ দেৱীৰ গল্পৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) "মক হাততে ধৰি তুমি উৰিয়াম কাঠৰ বাকচটোৰ পেৰে উলিয়াই নিয়া।" এই কথাষাৰ কোনে, কাক মনত পেলাই কৈছিল ?

(ঙ) "কোনোবা মানুহ ভাল বা বেয়া হোৱাৰ কোনো ধৰা বন্ধা নিয়ম নাই। মানুহ অৱস্থাৰ দাস বুলি কথা এষাৰ আছে।" কথাষাৰ কোনে, কাক কৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ বিশেষত্ববোৰ লিখা।

(খ) 'নীনা' গল্পত থকা ৰৰবিলৰ পাৰৰ সৌন্দৰ্যৰ বিৱৰণ দিয়া।

(গ) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ বিষয়বস্তুৰ বৈচিত্ৰ্য সম্পৰ্কে এটি চমু টোকা লিখা।

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ ইন্দ্ৰনাথ চৰিত্ৰটোৰ বিষয়ে লিখা।

(ঙ) 'চাহ জনজাতি'ৰ জীৱনৰ আধাৰত ৰচিত অসমীয়া উপন্যাসৰ বিষয়ে লিখা।

(চ) ইলিমন কোন ? তাইৰ বিষয়ে সমাজত কেনেধৰণৰ বু-বু বা-বা চলিছিল ?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া চুটিগল্পৰ ধাৰা সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) "আমাৰ ঘৰৰ অৱস্থা দেখি মই সহ্য কৰিব নোৱাৰি লাজ মান কাটি কৰি খৈ মানুহ এঘৰত সহায় বিচাৰি গৈছিল। সেইখন ঘৰ আমাৰ ইয়াৰ সমাজৰ মূখাফুটা; তেওঁলোকে সমাজৰ নৈতিকতা দিনে ৰাতিয়ে পহৰা দি থাকে।" মায়াই ৰৰদেউতাকক কোৱা এই কথাকেইটাৰ মাজত পহৰাদাৰসকলৰ প্ৰতি এক তীব্ৰ শ্লেষ আছে। এই শ্লেষৰ কাৰণসমূহ 'ৰৰদেউতা' গল্পৰ পটভূমিত বিশ্লেষণ কৰা।

(গ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যবোৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) চৈয়দ আব্দুল মালিকৰ উপন্যাসত "ঘটনাৰ বৈচিত্ৰ্য আছে; গাঁৱলীয়া-নগৰীয়া, শিক্ষিত-অশিক্ষিত, সৎ-অসৎ, উচ্চ-নিম্ন বিবিধ চৰিত্ৰৰ আৰু নানা পৰিস্থিতিৰ ইয়াত সমাৱেশ ঘটিছে।" এই মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰা।

(ঙ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটিত সৰ্বসাধাৰণ মানুহৰ তথৈৱচ অৱস্থাৰ যি বিৱৰণ আছে তাৰ আভাস দিয়া।

(চ) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ গদ্যশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ছ) অসমীয়া উপন্যাসৰ জন্ম আৰু ইয়াৰ বিকাশ সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(জ) চুটিগল্পৰ আৰু উপন্যাসৰ সংজ্ঞা দাঙি ধৰি এই দুবিধ সাহিত্যৰ সম্বন্ধ বিচাৰ কৰা।

★★★

2022

ASSAMESE

Paper : ASM-HC-6026

(অসমীয়া লিপিৰ ইতিহাস)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কেনে ধৰণৰ লিপিক লেখন-কলাৰ প্ৰথম স্তৰ বুলি কোৱা হয় ?

(খ) কি ধৰণৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয় ?

(গ) উমাচল লিপিৰ সময় কি ?

(ঘ) কায়থেলী লিপি কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) *The Evolution of Assamese Script* নামৰ গ্ৰন্থৰ লেখক কোন ?

(চ) 'প্রাচ্য শাসনাবলী' নামৰ গ্ৰন্থৰ প্ৰণেতাগৰাকীৰ নাম লিখা।

(ছ) কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ ঘটা বুলি কোৱা এজন পণ্ডিতৰ নাম লিখা।

(জ) বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম লিখা।

(ঝ) প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল?

(ঞ) সম্পূৰ্ণ অসমীয়া আখৰত লিখিত বৰ্তমানলৈ উদ্ধাৰ হোৱা প্ৰাচীনতম লিপিখনৰ নাম কি?

(ট) ড০ বিৰিঞ্চিকুমাৰ বৰুৱাই ডবকাৰ ওচৰৰ এখন ঠাইৰ পৰা উদ্ধাৰ কৰা লিপিখনক কি নামেৰে জনা যায়?

(ঠ) তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

(ড) সাঁচিপাত গছৰ কোনটো অংশৰ পৰা প্ৰস্তুত কৰা হয়?

(ঢ) আহোম ৰজাসকলে পুথি লিখিবলৈ সৃষ্টি কৰা খেলটোৰ নাম কি?

(ণ) কোনজন পণ্ডিতে প্ৰাক্-গুপ্ত যুগত অসমত প্ৰবেশ কৰা ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ হোৱা বুলি প্ৰথমে মত দিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা গৈছিল?

(খ) 'ব' আৰু 'ৱ' আখৰৰ স্পষ্ট পাৰ্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাবিনি কি ভাষাত লিখা?

(গ) হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন ক'ৰ পৰা আৱিষ্কাৰ হৈছিল? এই তাম্ৰশাসনৰ পাঠ কোনে উদ্ধাৰ কৰিছিল?

(ঘ) অসমৰ বুৰঞ্জী পুথিবোৰত সাধাৰণতে পোৱা লিপি কি শৈলীৰ আছিল? এই শৈলীটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'জাউ বা ঝাও দিয়া' মানে কি?

(চ) 'কুট দিয়া'ৰ অৰ্থ লিখা।

(ছ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ দুবিধ প্ৰাচীন লিপিৰ নাম লিখা।

(জ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভগোৱা হয়?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ চমু পৰিচয় দিয়া।

(খ) কুটিল লিপিৰ বিষয়ে এটা টোকা লিখা।

(গ) বামুণীয়া বা কায়থেলী লিপিৰ বিষয়ে চমুকৈ লিখা।

(ঘ) কানাই ৰৰশীবোৱা শিলালিপিৰ চমু পৰিচয় দিয়া।

(ঙ) উমাচল শিলালিপিৰ পৰিচয় দিয়া।

(চ) টোকা লিখা :

ৰনমালৰৰ্মাৰ তেজপুৰ আৰু পৰতীয়া তাম্ৰশাসন

(ছ) পূর্ব ভাৰতীয় লিপিমালাৰ বিষয়ে লিখা।

(জ) সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সম্পৰ্ক বিচাৰ কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

(খ) ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ আলোচনা কৰা।

(গ) অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰৰ চমু পৰিচয় দাঙি ধৰা।

(ঘ) প্ৰাচীন কামৰূপী লিপিৰ বিষয়ে আলোচনা কৰা।

(ঙ) পুৰণি অসমীয়া লিপিৰ তিনি শৈলীৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই আলোচনা কৰা।

(চ) আধুনিক অসমীয়া লিপিৰ বিষয়ে লিখা।

(ছ) সাঁচিপাত আৰু তুলাপাত প্ৰস্তুতকৰণৰ বিষয়ে লিখা।

(জ) মহী বা চিঞাহী প্ৰস্তুতকৰণ প্ৰণালীৰ বিৱৰণ দাঙি ধৰা।

(ঝ) কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

(ঞ) অসমীয়া লিপিৰ বিকাশত নগাজৰী খনিকৰ গাঁও শিলালিপিৰ গুৰুত্ব বিচাৰ কৰা।

* * *

2022

ASSAMESE

Paper : ASM-HC-2016

(ভাষাবিজ্ঞান পবিচয়)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলব যি কোনো দহটা প্রশ্নব উত্তব দিয়া : ১×১০=১০

(ক) Logos শব্দব অর্থ কি ?

(খ) তলব উক্তিটো শুদ্ধ নে অশুদ্ধ লিখা :

"ভাষাবিজ্ঞানত ধ্বনি আৰু বর্ণ একে নহয়।"

(গ) ভাষাব ক্ষুদ্রতম অর্থবহ একক কি ?

(ঘ) অসমীয়া ভাষাব পবা অর্থ-বিস্তাব বা অর্থ-সম্প্রসাবণব এটা উদাহবণ দিয়া।

(ঙ) পাণিনিয়ে বচনা কবা ব্যাকবণখনব নাম কি ?

(চ) 'টেকনে গ্রামাটিকে' নামব গ্রীক ভাষাব ব্যাকবণখনব লেখকজনব নাম লিখা।

(ঘ) শিশুৰ ভাষা আহৰণ প্ৰক্ৰিয়াৰ বিষয়ে ভাষাবিজ্ঞানৰ কোনটো শাখাত অধ্যয়ন কৰা হয় ?

(ঙ) কোনবিধ ভাষাবিজ্ঞানে বিদেশী ভাষা শিকাত সহায় কৰাৰ প্ৰয়াস কৰে ?

(চ) অসমীয়া ভাষাৰ 'ধ্বনিবিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

(ছ) আধুনিক ভাষাবিজ্ঞানৰ প্ৰতিষ্ঠাতা বুলি কাক কোৱা হয় ?

(জ) লিংগ অনুসৰি ভাষাৰ ব্যৱহাৰত বিভিন্নতা দেখা পোৱা যায়নে ?

(ঝ) একেটা ভাষাৰ অঞ্চলভেদে হোৱা বিভিন্নতাবোৰৰ অধ্যয়ন ভাষাবিজ্ঞানৰ কোনটো শাখাৰ অন্তৰ্গত ?

(ঞ) ভাষাৰ মূল কি ?

(ট) শব্দৰ অৰ্থৰ বিষয়ে অধ্যয়ন কৰা অধ্যয়নক কি নামেৰে জনা যায় ?

(ঠ) "এটা ভাষাৰ মান্যভাষা মানে সেই ভাষাৰ শ্ৰেষ্ঠ উপভাষা।" উক্তিটো সত্যনে ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) Linguistics আৰু Philology শব্দ দুটাৰ অসমীয়া প্ৰতিশব্দ দুটা লিখা।

(খ) তলৰ যি কোনো এটাৰ সংজ্ঞা লিখা :

ব্যক্তিভাষা ; মান্যভাষা।

(গ) দুবিধ বাগিন্দ্ৰিয়ৰ নাম লিখা।

(ঘ) ৰূপ মানে কি ?

(ঙ) *Syntactic Structure* নামৰ গ্ৰন্থখনৰ ৰচক কোন ? এই গ্ৰন্থখন কিমান খ্ৰীষ্টাব্দত প্ৰকাশ হৈছিল ?

(চ) ভাষাৰ বাহিৰে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা যি কোনো দুবিধ সংকেতৰ নাম লিখা।

(ছ) মানৱ ভাষা আৰু আন জীৱ-জন্তুৰে ভাব-বিনিময়ৰ বাবে ব্যৱহাৰ কৰা মাত বা ধ্বনিৰ মাজত কিবা প্ৰভেদ আছেনে ? বুজাই লিখা।

(জ) অসমীয়া ভাষাৰ যি কোনো দুটা বৰ্ণৰ উদাহৰণ দিয়া।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ পাৰ্থক্য লিখা।

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ এটি পৰিচয় দাঙি ধৰা।

(গ) ভাষাবিজ্ঞানৰ চৰ্চালৈ ফাৰ্ডিনাণ্ড দ্য ছচ্যুৰৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।

(ঘ) বিৰোধমূলক বা ভেদাত্মক ভাষাবিজ্ঞানৰ বিষয়ে এটি টোকা লিখা।

(ঙ) তুলনামূলক ভাষাতত্ত্বৰ পৰিচয় দাঙি ধৰা।

(চ) ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতৰ অৱদানৰ বিষয়ে লিখা।

(ছ) মনোভাষাবিজ্ঞানৰ পৰিচয় দিয়া।

(জ) ৰূপতত্ত্ব কাক বোলে, বুজাই লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ধ্বনিবিজ্ঞান, বৰ্ণবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা দি কেউটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) পৰিবেশ, বৃত্তি আৰু ব্যক্তিভেদে ভাষাৰ ব্যৱহাৰত ভিন্নতা সৃষ্টি হ'ব পাৰেনে? অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখা।

(গ) ব্যাকৰণৰ গ্ৰীক ধাৰাৰ বিষয়ে লিখা।

(ঘ) ধ্বনিবিজ্ঞানৰ ভাগকেইটা উল্লেখ কৰি প্ৰতিটো ভাগৰ চমু পৰিচয় দিয়া।

(ঙ) ব্যাকৰণ চৰ্চাত পাণিনিৰ অৱদান আৰু গুৰুত্বৰ বিষয়ে লিখা।

(চ) ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ মাজত তুলনা দাঙি ধৰা।

(ছ) উপভাষাবিজ্ঞানৰ সংজ্ঞা দি ইয়াৰ আলোচ্য বিষয়সমূহৰ আভাস দাঙি ধৰা।

(জ) তলত দিয়াকেইটাৰ সংজ্ঞা লিখি উদাহৰণ দিয়া :

অনুক্ৰম বৰ্ণ; উপাহিত বৰ্ণ; অক্ষৰ; মুক্তৰূপ আৰু বদ্ধৰূপ।

(ঝ) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ধাৰাসমূহৰ বিষয়ে লিখা।

(ঞ) মান্যভাষা আৰু উপভাষাৰ সম্পৰ্কৰ বিষয়ে অসমীয়া ভাষাৰ উদাহৰণেৰে বুজাই লিখা।

* * *

2022

ASSAMESE

Paper : ASM–HC–2026

(Sahitya Samalochana)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। যি কোনো দহটা প্রশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) ৰসতত্ত্বৰ প্ৰৱৰ্তক কোন ?

(খ) স্থায়ীভাৱ কেইটা ?

(গ) শব্দ শক্তি কেইপ্ৰকাৰৰ ?

(ঘ) 'ধ্বন্যালোক' গ্ৰন্থখনৰ ৰচক কোন ?

(ঙ) গুণ-ৰীতিবাদৰ প্ৰধান প্ৰবক্তা কোন ?

(চ) কবিতাত চিত্রকল্পবাদী আন্দোলনৰ গুৰিধৰোঁতা কবিগৰাকীৰ নাম কি ?

(ছ) এগৰাকী অসমীয়া চিত্ৰকল্পবাদী কবিৰ নাম লিখা।

(জ) প্ৰতীকবাদী সাহিত্য ক'ত গড় লৈ উঠিছিল?

(ঝ) ট্ৰেজেডি শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

(ঞ) এৰিষ্ট'টলে কিহক ট্ৰেজেডিৰ আত্মা বুলি কৈছে?

(ট) আয়নেস্ক'ৰে ৰচনা কৰা এখন এবচার্ড নাটকৰ নাম লিখা।

(ঠ) আলবেৰ কেমুৱে কোনখন গ্ৰন্থত এবচার্ড শব্দটোৰ ব্যাখ্যা আগবঢ়াইছিল?

(ড) বাৰ্টল্ড ব্ৰেখট কোন দেশৰ নাট্যকাৰ?

(ঢ) উপন্যাসক কোনে পকেট থিয়েটাৰ বুলি কৈছিল?

(ণ) কোনজন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পৰ জন্ম হৈছিল?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০.

(ক) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ব্যঞ্জনা মানে কি বুজা যায়?

(খ) ৰীতি কাক বোলে? ৰীতিকেই কাব্যৰ আত্মা বুলি কোনে কৈছিল?

(গ) বিভাবৰ প্ৰকাৰ দুটাৰ নাম লিখা।

(ঘ) প্ৰতীকবাদৰ দুগৰাকী মুখ্য প্ৰবক্তাৰ নাম লিখা।

(ঙ) বিভিন্ন সমালোচকৰ সমালোচনাৰ আঁত ধৰি কেথাবছিছ শব্দটোৰ দুটা অৰ্থ লিখা।

(Continued)

(চ) কি উদ্দেশ্যেৰে ব্ৰেখটে নতুন নাট্যৰীতিৰ সৃষ্টি কৰিছিল?

(ছ) এবচার্ড নাটকৰ দুটা বৈশিষ্ট্য লিখা।

(জ) গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনীক কি কি ভাগত ভগাব পাৰি?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভৰত মুনিৰ ৰসৰ সূত্ৰটো তোমাৰ ভাষাৰে ব্যাখ্যা কৰা।

(খ) কাব্যৰ গুণ মানে কি? ভামহে উল্লেখ কৰা তিনি প্ৰকাৰৰ গুণৰ নাম লিখা।

(গ) ধ্বনিকাব্য কাক বোলে? ধ্বনিকাব্যক কিয় উত্তম কাব্য বুলি কোৱা হয়?

(ঘ) কবিতাত কল্পনাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(ঙ) এৰিষ্ট'টলৰ *Poetics*-ত থকা আলোচনাৰ আধাৰত ট্ৰেজেডিৰ নায়কৰ গুণাৱলীৰ বিষয়ে লিখা।

(চ) উপন্যাসৰ চৰিত্ৰ সম্পৰ্কে নাতিদীৰ্ঘ আলোচনা আগবঢ়োৱা।

(ছ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(জ) চুটিগল্পৰ বৈশিষ্ট্যবোৰ আলোচনা কৰি এটা নিবন্ধ যুগুত কৰা।

(Turn Over)

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ভৰতৰ মতে ৰস কেইপ্ৰকাৰৰ আৰু কি কি? যি কোনো তিনি প্ৰকাৰ ৰসৰ বিষয়ে আলোচনা কৰা।

(খ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনিতত্ত্বৰ প্ৰধান প্ৰবক্তা কোন? ধ্বনিতত্ত্বৰ মূল কথাখিনি তোমাৰ ভাষাৰে বুজাই লিখা।

(গ) শিল্প সাহিত্যত প্ৰতীকবাদী আন্দোলন কিদৰে বিকশিত হৈছিল, আলোচনা কৰা।

(ঘ) 'অসমীয়া কবিতাত প্ৰতীকৰ প্ৰয়োগ' এই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(ঙ) চিত্ৰকল্পবাদৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(চ) এৰিষ্ট'টলৰ মতে ট্ৰেজেডিৰ উপাদান কেইটা আৰু কি কি? প্ৰধান উপাদান তিনিটাৰ বিষয়ে আলোচনা কৰা।

(ছ) ব্ৰেখটীয় নাট্যশৈলীৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰা।

(জ) যি কোনো এটা অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে আলোচনা কৰা।

(ঝ) উপন্যাস আৰু চুটিগল্পৰ প্ৰভেদসমূহ বিচাৰ কৰা।

(ঞ) "বিষয়বস্তু, ভাববস্তু আৰু ৰূপবস্তুৰ প্ৰকাৰভেদে উপন্যাসৰ বহু বিভিন্ন ৰূপ।" এই বক্তব্যৰ আলমত যি কোনো দুটা ৰূপৰ বিষয়ে আলোচনা কৰা।

★★★

2022

ASSAMESE

Paper : ASM-HG/RC-2016

(Asomiya Sahityar Itihas)

(Honours Generic/Regular Course)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) লোকসাহিত্যক কিয় মৌখিক সাহিত্য বোলা হয় ?

(খ) জনশ্রুতি লোকসাহিত্য হয়নে ?

(গ) লোকগীতত ৰচকৰ নাম থাকে নে নাথাকে ?

(ঘ) 'প্রহ্লাদ চৰিত' কাৰ ৰচনা ?

(ঙ) প্রাক্-শংকৰী যুগৰ সর্বশ্রেষ্ঠ কবি বুলি কাক কোৱা হয় ?

(চ) কবিৰত্ন সৰস্বতীয়ে কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ছ) পীতাম্বৰ কবিয়ে লিখা এখন পাঁচালী কাব্যৰ নাম লিখা।

(জ) শংকৰদেৱৰ শিক্ষাগুৰুজনাৰ নাম লিখা।

(ঝ) ত্রিহুতৰ জগদীশ মিশ্রই শংকৰদেৱক কোনখন গ্রন্থ আনি দিছিল ?

(ঞ) 'নামঘোষা'ত কিমানটা ঘোষা আছে ?

(ট) 'অজামিল উপাখ্যান' কাৰ ৰচনা ?

(ঠ) 'কীর্ত্তন'ত কিমানটা খণ্ড আছে ?

(ড) 'কথাগীতা' কাৰ ৰচনা ?

(ঢ) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল ?

(ণ) প্রাচীন অসমত ৰচিত হাতীৰ চিকিৎসা সম্পৰ্কীয় গ্রন্থখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) লোকসাহিত্যৰ এটি সংজ্ঞা নির্ণয় কৰা।

(গ) অনন্ত কন্দলীয়ে লিখা এখন নাট আৰু এখন কাব্যৰ নাম লিখা।

(ঘ) ৰাম সৰস্বতীয়ে লিখা দুখন অসমীয়া বধকাব্যৰ নাম লিখা।

(ঙ) শংকৰদেৱৰ 'ভক্তিৰত্নাকৰ' গ্রন্থখন কোনে কোনে অসমীয়ালৈ অনুবাদ কৰিছে ?

(চ) কোনটো শতিকাৰ শেষৰ ফালে, কোনে 'সদৰামীনৰ বুৰঞ্জী' ৰচনা কৰে ?

(ছ) দুখন গদ্য চৰিতৰ নাম লিখা।

(জ) কবিনাথ কন্দলীয়ে ৰচনা কৰা দুখন পদ-পুথিৰ নাম লিখা।

(Continued)

৩। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ৰৰগীতৰ বিষয়বস্তু সম্পর্কে লিখা।

(খ) অংকীয়া নাটৰ বিশেষত্বসমূহ লিখা।

(গ) 'ঝুমুৰা'ৰ বিষয়ে এটি চমু টোকা লিখা।

(ঘ) চৰিত-সাহিত্যৰ ভাষা সম্পর্কে এটি টোকা লিখা।

(ঙ) অসমৰ বুৰঞ্জী পুথি সম্পর্কে চমুকৈ আলোচনা কৰা।

(চ) বংশাৱলী সাহিত্যৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখা।

(ছ) অসমীয়া চুফীমূলক সাহিত্যৰ পৰিচয় দিয়া।

(জ) অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পর্কে চমুকৈ আলোচনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যক প্রধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি ? এই ভাগসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(খ) ''প্রবচন-প্রবাদ বাকাবোৰ হৈছে—'দহৰ জ্ঞান, একৰ বাণী'।'' আলোচনা কৰা।

(গ) বিহুগীতৰ বিষয়বস্তু সম্পর্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া আখ্যান-গীত (Ballads)ৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰা।

(Turn Over)

(ঙ) অসমীয়া নৱ-বৈষ্ণৱ সাহিত্যৰ পটভূমি কেনেধৰণৰ আছিল, আলোচনা কৰা।

(চ) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ৰচনাত সেই সময়ৰ সমাজখন কেনেদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ লিখা।

(ছ) বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত মনসা সাহিত্যৰ বিষয়ে লিখা।

(জ) শংকৰদেৱৰ সাহিত্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঝ) 'নামঘোষা'ত মিহলি হৈ থকা 'তিনিটা ভাৱৰ ধাৰা'ৰ বিষয়ে 'নামঘোষা'ৰ ঘোষাৰ উদ্ধৃতিসহ আলোচনা কৰা।

(ঞ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

★★★

2022

ELECTIVE ASSAMESE

(Asomiya Bhasha)

(Non-CBCS)

Full Marks : 60

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। *এটা* শব্দ বা *এটা* বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) ভাৰত-ইউৰোপীয় ভাষাসমূহৰ ভিতৰত কোনটো শাখাৰ ভাষাত সৰ্বপ্ৰাচীন নিদৰ্শন পোৱা যায় ?

(খ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক 'ভাৰত-ইউৰোপীয়' নামেৰে নামকৰণ কৰা ভাষাতাত্ত্বিকগৰাকীৰ নাম কি ?

(গ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ কাল কোনখিনি সময়ক ধৰা হয় ?

(ঘ) পালি ভাষাৰ বিকাশৰ কোনটো স্তৰক ত্ৰিপিটক সাহিত্যৰ যুগ হিচাপে অভিহিত কৰা হয় ?

(ঙ) ভাৰতৰ একেবাৰে পূৰ অঞ্চলত কথিত নব্য-ভাৰতীয় আৰ্য ভাষাটোৰ নাম কি ?

(চ) অৰুণাচলত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায় ?

(ছ) কামৰূপী উপভাষাত শব্দৰ কোনটো অক্ষৰত শ্বাসাঘাত পৰে ?

২। চমুকৈ উত্তৰ লিখা : ২×৪

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ 'কেন্টুম' আৰু 'সতম' ভাগ দুটাৰ বিষয়ে প্ৰথমে কোনে আৰু কেতিয়া উল্লেখ কৰিছিল ?

(খ) অপভ্ৰংশ ভাষাৰ দুটা প্ৰধান ধ্বনিগত বিশেষত্ব উদাহৰণসহ উল্লেখ কৰা।

(গ) সাদানি অসমৰ কোন জনগোষ্ঠীৰ ভাষা ? এই ভাষাৰ যি কোনো এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) কামৰূপী উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ পৰিচয় দিয়া।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষিক বৈশিষ্ট্যবোৰৰ বিষয়ে চমুকাই লিখা।

(খ) মাগধী প্ৰাকৃত বা মাগধী অপভ্ৰংশৰ কোনবোৰ বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক আছে, বিচাৰ কৰা।

(গ) অসমত প্ৰচলিত তিব্বত-বর্মী ভাষাসমূহৰ নাম উল্লেখ কৰি সিবোৰৰ যি কোনো এটিৰ ভাষাতাত্ত্বিক পৰিচয় দাঙি ধৰা।

(Continued)

(ঘ) কামৰূপী উপভাষাত অপিনিহিতিৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ লিখা।

(ঙ) অসমীয়া ভাষাত বিদেশী শব্দৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত শাখাসমূহৰ বিষয়ে আলোচনা কৰা। ১০

অথবা

(খ) 'সাহিত্যিক প্ৰাকৃত' বুলিলে কি বুজা ? ই কেইবিধ আৰু কি কি ? যি কোনো দুবিধ সাহিত্যিক প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্য উদাহৰণসহ বিৱৰি লিখা। ২+২+৩+৩=১০

৫। (ক) অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে এটি আলোচনা যুগুত কৰা। ১০

অথবা

(খ) অসম আৰু ইয়াৰ ওচৰ-চুবুৰীয়া ৰাজ্যসমূহত প্ৰচলিত অষ্ট্ৰিক গোষ্ঠীৰ ভাষাকেইটাৰ একোটাকৈ পৰিচয়মূলক টোকা লিখা।

৬। (ক) মান্য অসমীয়া ভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) 'অসমীয়া ভাষাৰ শব্দসম্ভাৰ' এই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

* * *

2022

ASSAMESE

(Major)

Paper : 2.1

(Asomiya Sahityar Buranji)

(Non-CBCS)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) খুদিয়া সত্ৰৰ প্ৰতিষ্ঠাতা কোন ?

(খ) আহোম যুগৰ শ্ৰেষ্ঠ কবিজনৰ নাম কি ?

(গ) 'শিয়াল গোসাঁইৰ চৰিত' পুথিখন কোনে ৰচনা কৰিছিল ?

(ঘ) মহাভাৰতৰ অনুবাদক গোপীনাথ পাঠকে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ঙ) কিমান চনত অসমীয়া ভাষাটো অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা উঠাই দিয়া হৈছিল ?

(চ) ডক্টৰ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত ৰচনা কৰা ব্যাকৰণ পুথিখনৰ নাম কি?

(ছ) 'আচাম নিউচ' কাকতখনৰ সম্পাদক কোন আছিল?

(জ) নলিনীবালা দেৱীয়ে কোনখন কবিতাপুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঝ) দেৱকান্ত বৰুৱাৰ কবিতাত পাশ্চাত্যৰ কোনগৰাকী কবিৰ প্ৰভাৱ লক্ষ্য কৰা যায়?

(ঞ) কাৰ পৃষ্ঠপোষকতাত 'আৰাহন' আলোচনীখন প্ৰকাশ পাইছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) অনন্ত কায়স্থই 'শ্ৰীৰাম-কীৰ্তন' পুথিখন কোনখন পুথিৰ সহায়ত ৰচনা কৰে? তেওঁৰ আন এখন পুথিৰ নাম উল্লেখ কৰা।

(গ) যদুৰাম ঢেকিয়ালফুকনে লিখা অভিধানখনৰ নাম কি? এইখন তেওঁ কাৰ হাতত অৰ্পণ কৰে?

(ঘ) ৰমণ্যাসবাদৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) অসমীয়া সাহিত্যত পোনপ্ৰথমে কোনে অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ কৰে? তেওঁৰ এখন গ্ৰন্থৰ নাম উল্লেখ কৰা।

(Continued)

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া ব্যৱহাৰিক সাহিত্যৰাজিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(খ) কচিনাথ কন্দলীৰ সাহিত্যকৃতিৰ বিষয়ে এটি চমু আভাস দিয়া।

(গ) অসমীয়া সাহিত্যলৈ এ. কে. গাৰ্নিৰ অৱদান সম্পৰ্কে চমুকৈ বিৱৰি লিখা।

(ঘ) 'অৰুণোদই'ৰ গদ্যশৈলী সম্পৰ্কে চমু আলোচনা কৰা।

(ঙ) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ চমুকৈ অ.ভা.উ.সা. সভাৰ উদ্দেশ্য সম্পৰ্কে লিখা।

(চ) আৰাহন যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ভট্টদেৱৰ সাহিত্যকৃতিৰ বিষয়ে উল্লেখ কৰি তেওঁৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে আভাস দিয়া।

(খ) অসমীয়া ৰামায়ণী সাহিত্যলৈ ৰঘুনাথ মহন্তৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া বুৰঞ্জী সাহিত্য আৰু চৰিত সাহিত্যৰ গদ্যৰীতিৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(Turn Over)

(ঘ) আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি-নির্মাণত অকণোদই যুগে উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছে—উপযুক্ত উদাহৰণৰ সৈতে এটি আলোচনা আগবঢ়োৱা।

(ঙ) আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত জোনাকী যুগৰ 'ত্রিমূর্তি'ৰ অৱদান সম্পর্কে এটি আলোচনা দাঙি ধৰা।

(চ) "জ্যোতিপ্রসাদ আগৰৱালাৰ হাতত অসমীয়া নাটকে পর্যাপ্ত বিকাশ লাভ কৰে।" এই উক্তিৰ যথার্থতা বিচাৰ কৰা।

(ছ) ঐতিহাসিক উপন্যাসৰ স্রষ্টা ৰজনীকান্ত বৰদলৈৰ অসমীয়া উপন্যাস সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পর্কে এটি আলোচনা যুগুত কৰা।

(জ) 'আৱাহন'ৰ পাতত আত্মপ্রকাশ কৰা চুটিগল্পকাৰসকলৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

★★★

3 (Sem–2) ASM M 2 (O)

2022

ASSAMESE

(Major)

Paper : 2.2

(Adhunik Asamiya Kabita)

(Non-CBCS)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'কবিতামঞ্জৰী' গ্ৰন্থৰ শিৰোনামত থকা 'মঞ্জৰী' শব্দৰ অৰ্থ কি ?

(খ) হিতেশ্বৰ বৰবৰুৱাৰ জন্ম কিমান চনত হৈছিল ?

(গ) 'সাদৰী' কাৰ কবিতা-পুথি ?

(ঘ) 'বিশ্ব-দোলন' কবিতাত উল্লেখ থকা নদীখনৰ নাম কি ?

(ঙ) 'বিশ্বহৰণ' কবিতাত উল্লেখিত 'তিলোত্তমা' কোন আছিল ?

(চ) 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটি কোনগৰাকী চিত্ৰশিল্পীৰ চিত্ৰৰ আধাৰত ৰচিত ?

(ছ) 'মমতাৰ চিঠি' কবিতাৰ আৰম্ভণিতে কোনগৰাকী মাৰ্কিন কবিৰ কবিতাৰ উদ্ধৃতি দিয়া হৈছে ?

(জ) নৱকান্ত বৰুৱাৰ প্ৰথম কাব্য-পুথিখনৰ নাম কি ?

(ঝ) নিৰ্মল প্ৰভা ৰৱদলৈ কোন চনত অসম সাহিত্য সভাৰ সভানেত্ৰী হৈছিল ?

(ঞ) অসমৰ কোনগৰাকী কবিয়ে শেহতীয়াকৈ জ্ঞানপীঠ বঁটা লাভ কৰিছে ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'কেতেকী' কবিতাত কবিৰ কল্পনা-প্ৰৱণতা কেনেদৰে প্ৰকাশ পাইছে, দুটা উদাহৰণেৰে দেখুওৱা।

(খ) 'বিশ্ব-দোলন' কবিতাটি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্গত ? কাব্য-গ্ৰন্থখন কোন চনত প্ৰথমে প্ৰকাশ হৈছিল ?

(গ) 'পৰম তৃষ্ণা' কবিতাত কবিয়ে 'তুমি' আৰু 'তেওঁ' বুলি কাৰ কাৰ কথা কৈছে ?

(ঘ) 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটো কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্গত ? কাব্যগ্ৰন্থখন কোনচনত প্ৰথম প্ৰকাশ হৈছিল ?

(ঙ) মমতাৰ ল'ৰাটোৰ নাম কি ? সি কিমান ডাঙৰ হোৱা বুলি মমতাই উল্লেখ কৰিছে ?

(Continued)

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'কবি' কবিতাৰ সাৰাংশ লিখা।

(খ) 'সোণোৱালী দেশ' কবিতাত ৰোমান্টিক বৈশিষ্ট্য কিদৰে প্ৰকাশ পাইছে ?

(গ) 'নদী' কবিতাত প্ৰগতিশীল দৰ্শনৰ প্ৰভাৱ নিৰ্দেশ কৰা।

(ঘ) 'দ্ৰৌপদী' কবিতাত নিৰ্যাতিতা নাৰীৰ বিদ্ৰোহী মনোভাৱৰ প্ৰকাশ, সন্দৰ্ভত চমুকৈ আলোচনা কৰা।

(ঙ) 'মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি' কবিতাত দাৰিদ্ৰ্যৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, দেখুওৱা।

(চ) আধুনিক কবিতাৰ বৈশিষ্ট্য, সন্দৰ্ভত এটা টোকা লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাৰ প্ৰথম তৰঙ্গটিৰ এটা সমালোচনাত্মক বিচাৰ আগবঢ়োৱা।

(খ) যতীন্দ্ৰনাথ দুৱৰাৰ কাব্য-কৃতি সন্দৰ্ভত এটা টোকা লিখা আৰু তেওঁৰ 'সোণোৱালী দেশ' কবিতাটোৰ কাব্যগুণ সন্দৰ্ভত আলোচনা কৰা।

(গ) 'বিশ্বদোলন' কবিতাত প্ৰকাশিত প্ৰেমানুভূতি সন্দৰ্ভত এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঘ) দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাত কবিৰ অধ্যয়নৰ চানেকি কিদৰে পোৱা যায়, দেখুওৱা।

(Turn Over)

(ঙ) 'মমতাৰ চিঠি' কবিতাৰ চিত্ৰাকৰ্ষক দিশবোৰ নিৰ্দেশ কৰি এটা আলোচনা আগবঢ়োৱা।

(চ) 'দ্ৰৌপদী' কবিতাত মহাভাৰতৰ উপাদানৰ প্ৰয়োগ সম্পৰ্কত এটা প্ৰবন্ধ লিখা।

★★★

2022

ASSAMESE

Paper : ASM–HC–4016

(Tulanamulak Bharatiya Sahitya)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভাৰতবৰ্ষৰ কোনখন বিশ্ববিদ্যালয়ত প্ৰথমে তুলনামূলক সাহিত্যৰ স্বতন্ত্ৰ বিভাগ খোলা হয় ?

(খ) ৰবীন্দ্ৰনাথ ঠাকুৰে 'Comparative Literature'ৰ সমাৰ্থক কি শব্দ ব্যৱহাৰ কৰিছিল ?

(গ) 'Indian Literature' শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(ঘ) কাঙালীৰ দেউতাকৰ নাম কি ?

(ঙ) 'অভাগীৰ স্বৰ্গ' গল্পত কোন নদীৰ পাৰত শ্মশানঘাট অৱস্থিত ?

(চ) 'গান্ধী' গল্পত কিশোৰজনৰ নাম মহাত্মা গান্ধী কোনে ৰাখিছিল ?

(ছ) অৱসৰ পোৱাৰ পিছত গজাধৰ বাবুৱে পুনৰ ক'ত চাকৰি পাইছিল ?

(Turn Over)

(জ) কেলহেতে চাকবি কবি থকা সময়ত গজাধব বাবুব বাবে মধুব সংগীত কি আছিল ?

(ঝ) 'পথেব পাঁচালী' উপন্যাসখন প্রথমে কোন পত্রিকাত ছপা হৈছিল ?

(ঞ) অপুব সম্পূর্ণ নাম কি ?

(ট) ইন্দিব ঠাককণ সমন্ধত অপুব কি হয় ?

(ঠ) বিভূতিভূষণ বন্দ্যোপাধ্যায়ব প্রথম প্রকাশিত গ্রন্থখনব নাম কি ?

(ড) উষা প্রিয়ম্বদাই বচনা কবা এখন গল্প-পুথিব নাম লিখা।

(ঢ) তোতাবামব প্রথম পক্ষব সন্তান কেইজন আছিল ?

(ণ) উদয়ভানুব পত্নীব নাম কি ?

২। তলব যি কোনো পাঁচটা প্রশ্নব চমুকৈ উত্তব দিয়া : ২×৫=১০

(ক) তুলনামূলক সাহিত্যব দুটা সম্প্রদায়ব (school)ব নাম লিখা।

(খ) সাহিত্য অকাডেমি কিমান চনত প্রতিষ্ঠা কবা হৈছিল ? সাহিত্য অকাডেমিয়ে প্রকাশ কবা প্রথম পত্রিকাখনব নাম কি ?

(গ) ভাবতীয় সাহিত্যব দুটা বৈশিষ্ট্য লিখা।

(ঘ) "যাহাব সহিত বিবাহ হইল তাহাব নাম বসিক বাঘ, বাঘেব অন্য বাঘিনী ছিল"—বসিক বাঘব লগত কাব বিয়া হৈছিল ? 'অন্য বাঘিনী' বুলি কি বুজোৱা হৈছে ?

(ঙ) গজাধব বাবুব কি কথাত জীয়েক বাসন্তী ক্ষুণ্ণ হৈছিল ?

(চ) 'গান্ধী' গল্পটিত গান্ধীব দেউতাকব মৃত্যু কিদবে হৈছিল ?

(ছ) অমলা কোন ? অপুবে অমলাক ক'ত লগ পাইছিল ?

(জ) নির্মলাক কিয় তোতাবামব লগত বিয়া দিবলগীয়া হৈছিল ?

৩। তলব যি কোনো চাবিটা প্রশ্নব উত্তব দিয়া : ৫×৪=২০

(ক) তুলনামূলক সাহিত্য অধ্যয়নব ক্ষেত্রত অনুবাদব গুৰুত্ব সম্পর্কে আলোচনা কবা।

(খ) অভাগীয়ে মৃত্যুব সময়ত কিয় স্বামীক মাতি পঠিয়াইছিল ? স্বামীয়ে অভাগীব ইচ্ছা পূবণ কবিলেনে ? আলোচনা কবা।

(গ) 'গান্ধী' গল্পটোত গান্ধীব মৃত্যু হ'লে ক'ত কবব দিবলৈ কৈছিল ? গান্ধীব সেই ইচ্ছা পূবণ হ'লনে, আলোচনা কবা।

(ঘ) গজাধব বাবুৱে চাকবিব পবা অৱসব লৈ ঘবত থকাব সময়ত পবিয়ালব লোকসকলে তেওঁক কিয় পবিয়ালব সদস্য ৰূপে গ্রহণ কবা নাছিল ?

(ঙ) "মায়েব উপব ককণায় ও সহানুভূতিতে তাহাব মন ভবিয়া উঠিল"—কাব মন ভবি উঠাব কথা কোৱা হৈছে ? মন ভবি উঠাব কাবণ কি ?

(চ) "ইন্দিব ঠাককণেব মৃত্যুব সংগে সংগে নিশ্চিন্দিপুব গ্রামে সেকালেব অৱসান হইয়া গেল"—কথাষাবব তাৎপর্য বিশ্লেষণ কবা।

(ছ) 'নির্মলা' উপন্যাসত নাবীব ক্ষোভ আৰু প্রতিবাদ কিদবে প্রতিফলিত হৈছে, আলোচনা কবা।

(জ) সমসাময়িক সমাজত প্রচলিত যৌতুক প্রথাব কুপ্রভাবব কথা আৰু তাব বিৰুদ্ধে প্রতিবাদ 'নির্মলা' উপন্যাসত কেনেদবে চিত্রিত হৈছে, আলোচনা কবা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে নাতিদীৰ্ঘ নিবন্ধ এটি যুগুত কৰা।

(খ) বিভিন্ন ভাষাত ৰচিত হোৱা সত্ত্বেও ভাৰতীয় সাহিত্যত এক জাতীয় ঐক্যসূত্ৰ কিদৰে পৰিলক্ষিত হয়, আলোচনা কৰা।

(গ) শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'অভাগীৰ স্বৰ্গ' গল্পটোত সমাজত প্ৰচলিত শ্ৰেণী আৰু বৰ্ণবৈষম্যৰ প্ৰতিচ্ছবি কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) পাৰিবাৰিক বিচ্ছিন্নতাই সৃষ্টি কৰা বিষাদবোধ 'ৰাপচী' গল্পটোত কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা।

(চ) 'গান্ধী' গল্পটোত মহাত্মা গান্ধী নামটো প্ৰতীকাত্মকভাৱে প্ৰয়োগ কৰি তাৰ জৰিয়তে সমাজৰ বিবিধ দিশ কিদৰে তুলি ধৰিছে, বিশ্লেষণ কৰা।

(ছ) আত্মজীৱনীভিত্তিক উপন্যাস হিচাপে 'পথৰ পাঁচালী'ৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(জ) 'পথৰ পাঁচালী' উপন্যাসৰ অপু চৰিত্ৰটোৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ঝ) প্ৰেমচন্দৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঞ) ''নিৰ্মলা আৰু তোতাৰাম বৈবাহিক জীৱনৰ চিত্ৰই বহুতো দিশ উন্মোচিত কৰে''—'নিৰ্মলা' উপন্যাসত উন্মোচিত হোৱা এই দিশবোৰ সম্পৰ্কে আলোচনা কৰা।

* * *

2022

ASSAMESE

Paper : ASM-HC-4026

(অসমীয়া ভাষাৰ সমাহৰণ ঃ আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) ভাৰতবৰ্ষত প্ৰৱেশ কৰা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ঠালটোক কি নামেৰে অভিহিত কৰা হয় ?

(খ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি ?

(গ) ইণ্ডো-ইৰাণীয় লোকসকলে নিজকে কি বুলি গৰ্ব অনুভৱ কৰিছিল ?

(ঘ) আৰ্যসকল ভাৰতলৈ অহাৰ সময়ত কি গ্ৰহ লগত লৈ আহিছিল ?

(ঙ) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশক কেইটা স্তৰত ভাগ কৰা হয় ?

(চ) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত উত্তৰ-অসম উপশাখাৰ এটা ভাষাৰ নাম লিখা।

(ছ) অসমীয়া ভাষাটো 'শৌৰসেণী আৰু মাগধী অপভ্রংশৰ মিশ্রণ' বুলি কোনগৰাকী ভাষাবিদে মন্তব্য কৰিছে ?

(জ) কামৰূপৰ মানুহৰ ভাষা মধ্য-ভাৰতৰ ভাষাতকৈ অলপ বেলেগ বুলি চীনা পৰিব্রাজক হিউৱেন চাঙে কোন শতিকাত মত পোষণ কৰিছিল ?

(ঝ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' শীৰ্ষক গ্রন্থখনৰ প্রণেতা কোন ?

(ঞ) বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণাৰ আধাৰত ৰচনা কৰা গ্রন্থখনৰ নাম কি ?

(ট) খাছীভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তর্গত ?

(ঠ) বিৰিঞ্চি কুমাৰ বৰুৱাই জুলি, জুৰি, পুৰ আদি স্থানবাচক নামৰ অন্তত থকা শব্দাংশ কি ভাষা-পৰিয়ালৰ ভাষাৰ পৰা অহা বুলি অনুমান কৰিছে ?

(ড) দ্রাবিড়ীয় ভাষা-পৰিয়ালৰ ভাষা এটাৰ নাম উল্লেখ কৰা।

(ঢ) উড়িয়া ভাষাৰ 'মণিসমানে' শব্দৰূপৰ অসমীয়া অর্থ কি ?

(ণ) মাগধী গোষ্ঠীৰ একেবাৰে পশ্চিমৰ ভাষাটো কি ?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) প্রাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ তামৰ ফলিত ৰক্ষিত অসমীয়া ঠাইৰ নাম বুজোৱা দুটা শব্দ উল্লেখ কৰা।

(খ) কোন দুটা ভাষাক বাণীকান্ত কাকতিয়ে এক মান্য মাগধী অপভ্রংশৰ উপভাষা আখ্যা দিছে ?

(গ) উপেন্দ্রনাথ গোস্বামীয়ে কামৰূপী (অসমীয়া) ভাষাটো "মূলতঃ দুটা প্রবাহৰ সমষ্টি" বুলি মন্তব্য কৰিছে। এই প্রবাহ দুটা কি কি ?

(ঘ) আর্যসকলে অসমত বসতি স্থাপন কৰাৰ পূৰ্বে অসমত থকা দুটা ভাষা-পৰিয়ালৰ নাম লিখা।

(ঙ) প্রাচীন ভাৰতীয় আর্যভাষাৰ অন্তর্গত দুটা ভাষাৰ নাম লিখা।

(চ) অসমীয়া ভাষাত শৌৰসেণী প্রাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'হৰতাল' আৰু 'তেজাল' শব্দ দুটা কোন দুটা ভাষাৰ পৰা আহিছে ?

(জ) পাৰছী ভাষাৰ পৰা অসমীয়ালৈ অহা দুটা শব্দৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাৰতৰ আর্যভিন্ন ভাষা-পৰিয়াল

(খ) উদ্ভৱকালীন অসমীয়া ভাষাৰ উপাদানৰ নিদর্শন

(গ) সাহিত্যিক প্রাকৃত

(ঘ) কামৰূপী প্রাকৃত

(ঙ) মধ্যভাৰতীয় আর্যভাষা

(চ) অসমীয়া ভাষাত প্রাক্-বৈদিক উপাদান

